স্বৰ এনে ঘোষ (কেতিয়াবা অঘোষ) ধ্বনি যাৰ উচ্চাৰণত মুখ-বিবৰত বায়ু-প্ৰৱাহ বাধাহীনভাৱে ওলায়। সেইবুলি ই অনিয়ন্ত্ৰিত নহয়। জিভাৰ বিভিন্ন অৱস্থান আৰু ওঁঠৰ আকৃতিৰ যোগেদি বায়ু-প্ৰৱাহ নিয়ন্ত্ৰণ কৰা হয়। ব্যঞ্জনৰ উচ্চাৰণত বহিৰ্গামী বায়ুক বাধা দিয়া হয়।

**১২. স্বৰধ্বনি (Vowels) : ব্যঞ্জনৰ সৈতে পাৰ্থক্য :** স্বৰধ্বনিবোৰ অন্য বাক্-ধ্বনিৰ আশ্ৰয় নোলোৱাকৈ অকলে উচ্চাৰণ কৰিব পাৰি। এইবোৰ সঘোষ অথবা অঘোষ হ'ব পাৰে।

(১) স্বৰধ্বনিবোৰ অন্য বাক্-ধ্বনিৰ সহায় নোলোৱাকৈ উচ্চাৰণ কৰিব পাৰি। ব্যঞ্জনধ্বনিবোৰ (হিছধ্বনিত বাহিৰে) স্বৰধ্বনিৰ সহায় নহ'লে উচ্চাৰণ কৰিব নোৱাৰি।

(২) স্বৰধ্বনিবোৰ একেৰাহে দীঘলীয়াকৈ উচ্চাৰণ কৰি থাকিব পাৰি। ব্যঞ্জনধ্বনিবোৰ (হিছধ্বনি ব্যতিক্ৰম) এবাৰহে উচ্চাৰণ কৰিব পাৰি— দীঘলীয়াকৈ উচ্চাৰণ কৰিব গ'লেই স্বৰধ্বনিত পৰিণত হয়।

(৩) স্বৰধ্বনি অক্ষৰাধাৰ,— ব্যঞ্জনধ্বনি অক্ষৰাধাৰ হ'ব নোৱাৰে।

(৪) স্বৰধ্বনিয়ে অনুনাসিকতা বহন কৰিব পাৰে। ব্যঞ্জনৰ এই গুণ নাই।

(৫) শ্বাসাঘাত স্বৰধ্বনিতহে পৰে।

(৬) ব্যঞ্জনধ্বনিবোৰৰ তুলনাত স্বৰধ্বনিবোৰ দূৰৰ পৰাও স্পষ্টকৈ শুনা যায়।

একে উশাহতে দুটা স্বৰধ্বনিৰ একেলগে উচ্চাৰণ কৰোঁতে যদি একেটা অক্ষৰত পৰিণত হয়, তেতিয়া তেনে স্বৰক **দ্বিস্বৰ** বোলে।

**১২.১. স্বৰধ্বনিৰ শ্ৰেণীবিভাজন : মাত্ৰা** (mora) আৰু **গুণ** (quality) **স্বৰধ্বনি :**— মাত্ৰা আৰু গুণ অনুসৰি স্বৰধ্বনিবোৰক দুটা ভাগত ভগোৱা হয়। স্বৰধ্বনি এটাক উচ্চাৰণৰ সময় লৈ হ্ৰস্ব বা দীৰ্ঘ বোলা হয়। সময় নিৰ্দ্ধাৰণৰ বাবে মাত্ৰা শব্দৰ ব্যৱহাৰ কৰা হয়। হ্ৰস্ব স্বৰধ্বনিৰ ক্ষেত্ৰত এক মাত্ৰা, দীৰ্ঘ স্বৰধ্বনিৰ ক্ষেত্ৰত দুই মাত্ৰা আৰু প্লুতস্বৰৰ ক্ষেত্ৰত দুই মাত্ৰাতকৈ অধিক সময় লোৱা হয়। এক মাত্ৰাতকৈ কম হ'লে অৰ্দ্ধমাত্ৰা বোলে।

গুণ অনুসৰি স্বৰধ্বনিবোৰক চাৰিধৰণে ভগাব পাৰি। যেনে—

১। জিভাৰ অংশবিশেষৰ স্থান (tongue advance) অনুসৰি :

(ক) সম্মুখ (খ) মধ্য (গ) পশ্চ।

২। জিভাৰ অৱস্থান— উচ্চতা (tongue height) অনুসৰি ঃ

(ক) উচ্চ— উচ্চ (high)

উচ্চাভাস (lower high)

(ক) মধ্য— মধ্যসম (higher-mind)

মধ্য (mean-mid)

মধ্যাভাস (lower mid)

(গ) নিম্ন— নিম্ন (low)

নিম্নাভাস (higher low)

৩। মুখ-বিবৰৰ বিস্তৃতি অনুসৰি ঃ

(ক) সংবৃত— সংবৃত (close)

অৰ্দ্ধ-সংবৃত (half-close)

সংবৃতাভাস (close-like)

(খ) বিবৃত — বিবৃত (open)

অৰ্দ্ধ-বিবৃত (half-open)

বিবৃতাভাস (open-like)

৪। ওঁঠ দুটাৰ আকৃতি অনুসৰি ঃ

(ক) বৃত্তমুখী বা সংবৃত্তৌষ্ঠ্য (rounded)

(খ) অবৃত্তমুখী বা বিবৃত্তৌষ্ঠ্য (unrounded)

জিভাৰ কোন অংশৰ দ্বাৰা উচ্চাৰিত হৈছে তাৰে ভিত্তিত সম্মুখ, মধ্য বা পশ্চাৎ— এই তিনিভাগত ভগোৱা হয়। জিভাখনৰ সন্মুখ ভাগৰ দ্বাৰা উচ্চাৰিত হ'লে **সম্মুখ** (অসমীয়াৰ ই, এ', এ আদি), মাজভাগৰপৰা উচ্চাৰিত হ'লে **মধ্য** বা **কেন্দ্ৰীয়** (অস, আ,), আৰু পাছভাগৰপৰা উচ্চাৰিত হ'লে **পশ্চ** বা **মূলীয়** (অস, অ', ও, উ আদি) ধ্বনি বোলে।

জিভাখনৰ উচ্চতা অনুসৰি অৰ্থাৎ জিভাখন কিমান দাং খাইছে, তাৰে ভিত্তিত উচ্চ, মধ্য বা নিম্ন বুলি কোৱা হয়। যেনে, অসমীয়াৰ ই-ধ্বনি উচ্চাৰণ কৰোঁতে জিভাৰ সম্মুখভাগ প্ৰায় তালুত লগাৰ দৰে হয়গৈ। গতিকে ই **উচ্চস্বৰ**। এ' (কেশ, ভেদৰ এ) উচ্চাৰণ কৰোঁতে জিভাখন ওপৰলৈ উঠে; কিন্তু 'ই'ৰ সমান উচ্চলৈ

নহয়। গতিকে অসমীয়াত এ' উচ্চ-মধ্য ধ্বনি। এ (বেলগছ শব্দৰ এ) উচ্চাৰণ কৰোঁতে জিভাখন সামান্য দাং খায়; কিন্তু এ'ৰ সমান নহয়। আনহাতে সৰ্বনিম্ন 'আ'তকৈ ওপৰত। গতিকে এ নিম্নমধ্য। 'আ' উচ্চাৰণ কৰোঁতে জিভাখন প্ৰায় যথাস্থানত থাকে, গতিকে ই নিম্নস্বৰ।

তেনেদৰে মুখবিবৰ মুক্ত নে অৰ্দ্ধমুক্ত তাৰে ভিত্তিত (বিবৃত, সংবৃত) আৰু ওঁঠ দুটা ঘূৰণীয়া হৈছে নে চেপেটা হৈছে তাৰে ভিত্তিত (সংবৃত্তৌষ্ঠ্য, বিবৃত্তৌষ্ঠ্য) স্বৰধ্বনিবোৰক বিভিন্ন ধৰণে নামকৰণ কৰা হয়। বেছি জটিলতালৈ নগৈ অসমীয়া স্বৰবৰ্ণবোৰ উচ্চাৰণ কৰি চালেই কথাষাৰ স্পষ্ট হ'ব—

| | বিবৃত্তৌষ্ঠ্য | | সংবৃত্তৌষ্ঠ্য |
|---|---|---|---|
| | সন্মুখ | মধ্য | পশ্চাৎ |
| উচ্চ | ই | | উ |
| উচ্চমধ্য | এ' | | ও |
| উচ্চ নিম্নমধ্য | এ | | অ' |
| নিম্নমধ্য | | | অ |
| নিম্ন | | আ | |

এতিয়া অসমীয়া ভাষাৰ দুটামান স্বৰধ্বনিৰ বৰ্ণনা দিয়া হ'ল—

ই ঃ সন্মুখ, উচ্চ, বিবৃত্তৌষ্ঠ্য, অৰ্দ্ধ-সংবৃত ধ্বনি।

উ ঃ পশ্চ, উচ্চ, সংবৃত্তৌষ্ঠ্য, সংবৃত ধ্বনি।

এ' ঃ সন্মুখ, উচ্চমধ্য, বিবৃত্তৌষ্ঠ্য, সংবৃতাভাস ধ্বনি।

আ ঃ মধ্য, নিম্ন, বিবৃত্ত, বিবৃত্তৌষ্ঠ্য ধ্বনি।